# "A STUDY ON THE EDUCATIONAL STATUS OF TEA TRIBE COMMUNITY"

*A project submitted in partial fulfilment for the award of degree of Bachelor of Arts in Education*


| | |
|---|---|
| SUPERVISOR | INVESTIGATOR |
| MISS MAYURI DAS | PRANJUPRIYA SAIKIA |
| ASSISTANT PROFFESSOR | ROLL NO- 14710166 |
| NANDA NATH SAIKIA COLLEGE | REGISTRATION NO:S2222602 |

DEPARTMENT OF EDUCATION

NANDA NATH SAIKIA COLLEGE,TITABOR-785630

JORHAT, ASSAM -2025

**ক্ষেত্ৰভিত্তিক অধ্যয়নৰ প্ৰতিবেদন**

# চাহ্ জনজাতি সম্প্ৰদায়ৰ শৈক্ষিক অৱস্থাৰ ওপৰত কৰা এক অধ্যয়ন

*ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক পাঠ্যক্ৰমৰ আংশিক পৰিপূৰক হিচাপে শিক্ষাতত্ব বিভাগ, নন্দনাথ শইকীয়া মহাবিদ্যালয়ত দাখিল কৰা এক প্ৰকল্প প্ৰতিবেদন*

**তত্বাৱধায়ক**

ময়ূৰী দাস

*সহকাৰী অধ্যাপিকা*

**শিক্ষাতত্ব বিভাগ**

**অধ্যয়নকাৰী**

**প্ৰাঞ্জুপ্ৰিয়াশইকীয়া**

*শিক্ষাতত্ত্ব বিভাগ*

**ষষ্ঠ ষান্মাসিক**

নন্দনাথ শইকীয়া মহাবিদ্যালয়

যোৰহাট, তিতাবৰ

**DEPARTMENT OF EDUCATION**

**NANDA NATH SAIKIA COLLEGE**

**Titabor, Jorhat-785630**

**District: Jorhat, Assam**

---

## CERTIFICATE

This is to certify that the Project titled “A study on the educational status of tea tribe community ” is submitted for the award of the of degree of Bachelor of Arts in Education during the academic year of 2025. She has compiled all the relevant academic and administrative regulation and the Project embodies a Bonafide record of the work done by Pranjupriya Saikia under the supervision and guidance.

To the best of my knowledge this work has not been submitted in part or full for any Degree or Diploma to this College or elsewhere.

| | |
|---|---|
| SUPERVISOR | HOD |
| MISS MAYURI DAS | DR.MONIKHA SAIKIA |
| ASST.PROFFESSOR | ASST.PROFFESSOR |
| N.N SAIKIA COLLEGE | N.N SAIKIA COLLEGE |

Session : 2022-25

# কৃতজ্ঞতা স্বীকাৰ

**"চাহ জনজাতি সম্প্ৰদায়ৰ শৈক্ষিক অৱস্থাৰ ওপৰত কৰা এক অধ্যয়ন"**

উক্ত প্ৰকল্প অধ্যয়ন কৰোঁতে বিভিন্ন পক্ষৰ পৰা সহায় সহযোগিতা লোৱা হৈছিল। প্ৰথমতে এই প্ৰকল্প অধ্যয়নটো প্ৰস্তুত কৰিবৰ বাবে আৰু কাৰ্য ব্যৱস্থা হাতত ল'বৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় ড° সূভাংশ দত্ত ডাঙৰীয়া ছাৰলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

প্ৰকল্পটোৰ সাৰমৰ্ম উপলব্ধি কৰি তথা নিয়াৰিকৈ তথা বিশ্লেষণ কৰি প্ৰকল্পৰ এক বিশেষ ৰূপ দিয়াত সহায় কৰা শিক্ষা তত্ব বিভাগৰ মুৰব্বী অধ্যাপিকা ড° মনিষা শইকীয়া বাইদেউলৈ অশেষ ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ইয়াৰ সমানুপাতিকভাৱে এই প্ৰকল্প অধ্যয়নৰ বাবে নিযুক্ত মুখ্য নিৰ্দেশিকা, বিভাগৰ সহকাৰী অধ্যাপিকা ময়ুৰী দাস বাইদেউক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

প্ৰকল্পৰ এক মাত্ৰা প্ৰদান কৰিবৰ বাবে নিৰ্বাচিত কৰা দুখন গাওঁ ক্ৰমে ডফলাটিং চাহ বাগিচা গাওঁ আৰু চুঙী চাহ বাগিচা গাওঁৰ লোকসকলক ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।




প্ৰাঞ্জুপ্ৰিয়া শইকীয়া

ষষ্ঠ ষান্মাসিক

নন্দনাথ শইকীয়া মহাবিদ্যালয়

শিক্ষাতত্ব বিভাগ

# পাতনি

সাম্প্ৰতিক সময়ত শৈক্ষিক দিশত বিজ্ঞান, প্ৰযুক্তিবিদ্যাৰ প্ৰভাৱ বাৰুকৈয়ে পৰিছে। যাৰ সহায়ত শৈক্ষিক দিশটো যথেষ্ট সৰল হোৱা পৰিলক্ষিত হৈছে। গতিকে এনে ক্ষেত্ৰত প্ৰতিখন সমাজৰ শিক্ষাৰ ক্ষেত্ৰত ইয়াৰ কেনে প্ৰভাৱ পৰিছে কিমান দূৰ বিকাশ সম্ভৱপৰ হৈছে তাক জনাটো অত্যন্ত প্ৰয়োজনীয়।

কোনো এটা বিষয় অধ্যয়ন কৰিবলৈ যোৱাৰ আগতে সেই বিষয়টোৰ সম্পৰ্কে সম্যক জ্ঞান থকাটো আৱশ্যক। সেইদৰে অধ্যয়নৰ বিষয়টোৰ শৈক্ষিক প্ৰস্থিতি সম্পৰ্কে জানি লোৱাটো আৱশ্যক।

প্ৰকল্প অধ্যয়নকাৰীয়ে উপৰোক্ত দিশত গুৰুত্ব আৰোপ কৰি যোৰহাট জিলাৰ তিতাবৰ মহকুমাৰ অন্তৰ্গত দুখন চাহ বাগিচা গাওঁৰ শৈক্ষিক প্ৰস্থিতিৰ সম্পৰ্কে এক বিশ্লেষণাত্মক অধ্যয়ন সাব্যস্ত কৰিছে।


প্ৰাঞ্জুপ্ৰিয়া শইকীয়া

ষষ্ঠ ষাণ্মাসিক

নন্দনাথ শইকীয়া মহাবিদ্যালয়

শিক্ষাতত্ব বিভাগ

# সূচীপত্র


| ক্ৰমিক নং | বিষয় |
|---|---|
| প্ৰথম অধ্যায় | |
| ১.১ | আৰম্ভণি |
| ১.২ | অধ্যয়নৰ ক্ষেত্ৰ |
| ১.৩ | অধ্যয়নৰ তাৎপৰ্য |
| ১.৪ | অধ্যয়নৰ উদ্দেশ্য |
| ১.৫ | অধ্যয়নৰ সীমাবদ্ধতা |
| দ্বিতীয় অধ্যায় | |
| ২.০ | প্ৰণালীতত্ব |
| ২.১ | আৰম্ভণি |
| ২.২ | অধ্যয়ন পদ্ধতি |
| ২.৩ | অধ্যয়নৰ জনসংখ্যা |
| ২.৪ | নমুনা সংগ্ৰহ পদ্ধতি |

২.৫ অধ্যয়নৰ নমুনা

২.৬ তথ্য সংগ্ৰহৰ আহিলা

২.৭ তথ্যৰ উৎস

তৃতীয় অধ্যায়

৩.১ তথ্য বিশ্লেষণ আৰু ব্যাখ্যা

৩.২ উদ্দেশ্যভিত্তিক তথ্যৰ বিশ্লেষণ

৩.২.১ উদ্দেশ্য নং ১

৩.২.২ উদ্দেশ্য নং ২

৩.২.৩ উদ্দেশ্য নং ৩

চতুৰ্থ অধ্যায়

৪.১ অধ্যয়নৰ পৰা প্ৰাপ্ত প্ৰধান তথ্যসমূহ

৪.২ সামৰণি

৪.৩ শৈক্ষিক তাৎপৰ্য

৪.৪ পুন:অধ্যয়নৰ বাবে পৰামৰ্শ

গ্রন্থপুঞ্জি

ফটোগ্রাফ

প্রশ্নসূচী

# প্রথম অধ্যায়

## ১.১আৰম্ভণি (Introduction):

অসমৰ চাহ জনগোষ্ঠী বুলিলে অসমৰ চাহ বাগিচাসমূহৰ কৰ্মচাৰী আৰু প্ৰাক্তন কৰ্মচাৰীসকলক বুজায়। কেইবাটাও ভিন ভিন জনগোষ্ঠীৰ অন্তৰ্গত চাহ জনগোষ্ঠীৰ লোকসকল আৰু তেওঁলোকৰ পৰিয়ালসমূহ ঘাইকৈ অসমৰ ইমূৰৰপৰা সিমূৰলৈ সিঁচৰতি প্ৰায় ৮০০ চাহ বাগিচাৰ ভিতৰৰ আৱাসিক এলেকাত বসবাস কৰে।

অসম চৰকাৰে তেওঁলোকক আনুষ্ঠানিকভাৱে চাহ জনগোষ্ঠী  নামেৰে অভিহিত কৰে। তেওঁলোক ব্ৰিটিছ চৰকাৰে অসমৰ চাহ উদ্যোগ আৰু বাগিচাসমূহত কাম কৰিবলৈ শ্ৰমিক হিচাপে অসমলৈ আনিছিল। তেওঁলোক মূলতঃ ঝাড়খণ্ড, ওড়িশা, ছত্তীশগঢ়, পশ্চিম বংগ, অন্ধ্ৰ প্ৰদেশ আৰু বিহাৰৰ জনজাতীয় আৰু আদিবাসী লোক আছিল। বৃটিছ সকলে ১৮৬০ চনৰ পৰা ১৮৯০ৰ সময়ছোৱাত কেইবাটাও পৰ্যায়ত শ্ৰমিক হিচাপে তেওঁলোকক অসমলৈ আনিছিল।অসমৰ মুঠ চাহ জনগোষ্ঠীৰ মুঠ জনসংখ্যা প্ৰায় ৭০ লাখ। ইয়াৰে প্ৰায় ৪৫ লাখ মানুহ চাহ বাগিচাৰ ভিতৰৰ পৰিসৰত অৱস্থিত আৱাসিক এলেকাৰ আৱাসত বাস কৰে।সম্প্ৰদায়টোৰ নিজৰ ভাষা, সংস্কৃতি আৰু ৰীতি-নীতি আছে যদিও বহুতেই নিজৰ পৰিচয় বজাই ৰাখি বহল সমাজত আত্মসাৎ কৰিছে।বছৰৰ পিছত বছৰ ধৰি চাহ জনজাতিসকলৰ আৰ্থ-সামাজিক অৱস্থা উন্নত হৈছে যদিও এতিয়াও তেওঁলোকে দৰিদ্ৰতা, সীমিত শিক্ষাৰ সুবিধা , কিছুমান ক্ষেত্ৰত প্ৰান্তীয়কৰণ আদি প্ৰত্যাহ্বানৰ সম্মুখীন হৈছে।

### চাহ জনগোষ্ঠীৰ ইতিহাস:

অসমত চাহ ইতিহাস আৰম্ভ হৈছিল ১৮২৩ চনত। স্কটলেণ্ডৰ ব্যৱসায়ী ৰবাৰ্ট ব্ৰুছে অসমত বনৰীয়া চাহ গছ আৱিষ্কাৰ কৰিছিল। তেওঁ বৰ্তমানৰ শিৱসাগৰ জিলাৰ ওচৰত ব্ৰহ্মপুত্ৰ উপত্যকাৰ উচ্চভূমি অঞ্চলত এই চাহ গছবোৰ দেখিছিল। সেই সময়ত চিংফৌসকলে এই গছৰ পাতেৰে পানীয় তৈয়াৰ কৰি আহিছিল। ৰবাৰ্ট ব্ৰুছ আৰু তেওঁৰ ভাতৃ চাৰ্লচ ব্ৰুচে  এই চাহ গছক চিনাক্ত কৰি অসমত ইয়াৰ ব্যয়সায় আৰম্ভ কৰাৰ পথ প্ৰশস্ত কৰে। কিন্তু সেই সময়ত অসমীয়া লোকসকল চাহ খেতিত কাম কৰিবলৈ আগ্ৰহী নাছিল,যাৰ ফলত ব্ৰিটিছ ব্যৱসায়ীসকলে বাহিৰৰ পৰা মজদুৰ আনিবলৈ বাধ্য হৈছিল। ব্ৰিটিছ চৰকাৰে বিহাৰ, উৰিষ্যা, মধ্যপ্ৰদেশ, ছত্তীছগঢ়, পশ্চিমবঙ্গ, ঝাৰখণ্ড আদি ৰাজ্যৰ বিভিন্ন জনজাতিৰ লোকক অসমলৈ আনি চাহ বাগিচাত কাম কৰোৱাইছিল।

## চাহ জনজাতি সম্প্ৰদায়ৰ বৈশিষ্ট্য:

ক) ঐতিহাসিক শিপা: এই সম্প্ৰদায়টো মধ্য ভাৰতৰ পৰা বিশেষকৈ মধ্যপ্ৰদেশ, ছত্তীছগঢ় পশ্চিমবঙ্গ, আৰু উৰিষ্যা ৰাজ্যৰ পৰা উৎপত্তি হৈছিল, য'ত ১৯ শতিকাত ব্ৰিটিছ ঔপনিৱেশিকসকলে শ্ৰমিকক চাহ বাগিচাত কাম কৰিবলৈ আনিছিল।

(খ) জাতিগত আৰু সামাজিক পৰিচয়: চাহ জনজাতি লোকসকল মূলতঃ সান্থাল, মুণ্ডা,খাড়িয়া,গণ্ড আদিকে ধৰি জনজাতিৰ অন্তৰ্ভুক্ত অসমীয়া সমাজৰ মাজত আছে যদিও তেওঁলোকৰ নিজস্ব আদিবাসী পৰিচয় আছে।

(গ) ভাষা আৰু সংস্কৃতি: চাহ জনজাতি লোকসকলৰ মুখ্য ভাষা হৈছে সাদ্ৰী লগতে তেওঁলোকে অসমীয়া, হিন্দী আৰু বিভিন্ন জনজাতীয় উপভাষা কোৱা দেখা যায়। ঝুমুৰ নৃত্য হৈছে তেওঁলোকৰ অন্যতম সাংস্কৃতিক পৰিচয়।

(ঘ) অৰ্থনীতি আৰু জীৱিকা: চাহ জনজাতি লোকসকলে প্ৰধানতঃ চাহ বাগিচাত শ্ৰমিক হিচাপে কাম কৰে। তেওঁলোকৰ মাহিলী আয় তুলনামূলকভাৱে কম যাৰ ফলত তেওঁলোক অৰ্থনৈতিকভাবে দুৰ্বল হোৱা দেখা যায়।

(ঙ) ধৰ্ম আৰু উৎসৱ-পাৰ্বণ: চাহ জনজাতি লোকসকলে হিন্দু ধৰ্ম, খ্ৰীষ্টান ধৰ্ম অনুসৰণ কৰে। তেওঁলোকে কৰম পূজা, টুচু পূজা,ফাগুৱা, দূৰ্গা পূজা আদি পালন কৰে। লগতে খ্ৰীষ্টমাছ আদিও পালন কৰে।

(চ) সামাজিক সমস্যা আৰু দুৰৱস্থা: চাহ জনজাতি লোকসকলৰ শিক্ষিত হাৰ নিম্নমানৰ। তেওঁলোকৰ মাজত দৰিদ্ৰতাৰ হাৰ অধিক আৰু মদ্যপান লোকৰ সংখ্যা অত্যধিক হোৱা বাবে বহুতো সমস্যা দেখা যায়।

## শৈক্ষিক প্ৰস্থিতিঃ

শিক্ষা মানুহৰ আটাইতকৈ মনোৰম আবিষ্কাৰ । শিক্ষা অন্যান্য সা-সঁজুলি, যন্ত্ৰপাতি, ঔষধ আনকি ভাষাতকৈও বেছি গুৰুত্বপূৰ্ণ। সাধাৰণ অৰ্থত শিক্ষা হ'ল এক জটিল ধাৰণা বিভিন্ন পৰিৱেশৰ লগত হোৱা ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ ফলস্বৰূপ মানুহৰ অভিজ্ঞতাৰ যি পৰিপুষ্টি আৰু সংস্কাৰ সাধিত হয় তাকেই শিক্ষা বুলি অভিহিত কৰা হয়। শিক্ষাই ব্যক্তিৰ সুপ্ত প্ৰতিভাৰ বিকাশ, আচৰণৰ পৰিৱৰ্তনৰ লগতে সৰ্বোদিশৰ বিকাশ সাধন কৰি বিভিন্ন পৰিবেশ পৰিস্থিতিৰ সুস্থ সমাযোজনত সহায় কৰে । জন ডিউই ৰ মতে, শিক্ষা হৈছে অবিৰামভাৱে গোটেই

জীবন ব্যাপী চলি থকা এক প্ৰক্ৰিয়া। শিক্ষাই মানুহক নতুন চিন্তা আৰু জীৱনৰ নতুন পথৰ সন্ধান কৰাত সহায় কৰে ।


চাহ-জনজাতি সম্প্ৰদায়ৰ শিক্ষাৰ অৱস্থা ইমান উন্নত নহয়। এতিয়াও চাহ-জনজাতি লোকৰ মাজত শিক্ষাৰ অভাৱ পৰিলক্ষিত হয়। যিহেতু অসমৰ জনসংখ্যাৰ এক বৃহৎ অংশ চাহ-জনজাতিয়ে গঠন কৰে, যদিহে এই সম্প্ৰদায়ৰ সকলো শিশুৱে শিক্ষা লাভ নকৰে তেতিয়া অসমৰ-সাক্ষৰতাই ১০০ শতাংশ লাভ কৰিব নোৱাৰে। অসমৰ চাহ-জনজাতি লোকসকল এতিয়াও শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট পিছপৰি আছে। তেওঁলোক শিক্ষাৰ ক্ষেত্ৰত পিছ পৰি থকাৰ ক্ষেত্ৰত ব্যক্তিগত, সম্প্ৰদায়গত বহুতো কাৰক আছে। চাহ-জনগোষ্ঠীৰ- শিশুসকলৰ প্ৰায় শিশুৱেই প্ৰথম প্ৰজন্মৰ শিক্ষাৰ্থী। কিয়নো তেওঁলোকৰ পূৰ্বতে কোনো লোকেই সাক্ষৰ নহয়। তেওঁলোকৰ পিতৃ-মাতৃৰ কোনো আনুষ্ঠানিক শিক্ষা নাই বা নূন্যতম মানৰ। যাৰ ফলস্বৰূপে এই শিশুসকলে শিক্ষাৰ ক্ষেত্ৰত বহুতো বাধাৰ সম্মুখীন হ'বলগীয়া হয়। বিভিন্ন চৰকাৰী সুবিধা তথা আঁচনি বা পদক্ষেপৰ পিছতো তেঁওলোকৰ সাক্ষৰতাৰ হাৰ এতিয়াও নিম্নমানৰ হোৱা পৰিলক্ষিত হয়।


## ১.২ অধ্যয়নৰ ক্ষেত্ৰ (Area of the Study):

চাহ জনজাতি সমাজ প্ৰধানকৈ অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ কিছুমান ৰাজ্যত বসবাস কৰা এক বিশেষ সামাজিক গোষ্ঠী। ব্ৰিটিছ শাসনকালত এইসকল লোকক অনা হৈছিল। শিক্ষাৰ ক্ষেত্ৰত তেওঁলোকে বহুতো সমস্যাৰ সম্মুখীন  হৈছে।শিক্ষা যিকোনো সমাজৰ সামগ্ৰিক উন্নয়নৰ অন্যতম মুখ্য স্তম্ভ, কিন্তু চাহ জনজাতি সমাজত শিক্ষাৰ হাৰ তুলনামূলকভাৱে নিম্ন। শিক্ষাৰ ক্ষেত্ৰত সম্মুখীন হোৱা মূল সমস্যাসমূহৰ ভিতৰত দৰিদ্ৰতা, শিক্ষা অসুবিধা, শিশুবিলাকৰ প্ৰতিষ্ঠানৰ অভাৱ, ভাষাগত অসুবিধা কৰ্মজীৱনৰ লগত জড়িত হোৱাতো অন্যতম। ৰাজনৈতিক লগতে, সমাজৰ ভৌগোলিক বিচ্ছিন্নতা আৰু প্ৰতিনিধিত্বৰ অভাৱে ও শিক্ষাৰ বিকাশত বাধাৰ সৃষ্টি কৰিছে

অসম চৰকাৰ, বিভিন্ন  NGO আৰু অন্যান্য বহু সংগঠনে শিক্ষাৰ উন্নয়নৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহন কৰিছে । যেনে- বৃত্তি, বিনামূলীয়া পাঠ্যপুথি, আৰু আন শিল্পমূলক আঁচনি।

এই অধ্যয়নে চাহ জনজাতি সমাজৰ শিক্ষাগত অৱস্থা, সমস্যাসমূহ আৰু সম্ভাৱ্য সমাধানসমূহ বুজি উঠাত সহায় কৰিব। এই অধ্যয়নটোৰ উদ্দেশ্যে হৈছে চাহ জনজাতি সমাজৰ শিক্ষা ক্ষেত্ৰৰ বৰ্তমান পৰিস্থিতি অধ্যয়ন কৰা, মূল বাধাসমূহ চিহ্নিত কৰা আৰু শিক্ষাৰ হাৰ বৃদ্ধিৰ বাবে উপযুক্ত কৌশল অন্বেষণ কৰা



## ১.৩ অঞ্চলটোৰ বিৰৰণ ( Description of the Area):

যোৰহাট জিলাৰ তিতাবৰ মহকুমাৰ  অন্তৰ্গত ডফলাটিং চাহ বাগিছা আৰু চুঙী বাগান  চাহ বাগিছা এই দুখন বাগিছাৰ ওপৰত গুৰুত্ব আৰোপ কৰি এই অধ্যয়নটো  সম্পন্ন কৰা হৈছে। চাহ জনজাতি লোকসকলৰ মাজত শিক্ষাৰ প্ৰভাৱ কেনেধৰণৰ সেই সম্পৰ্কে জানিবৰ বাবে উক্ত চাহ বাগিছা দুখন চিনাক্ত কৰি লোৱা হৈছে।

(ক)ডফলাটিং চাহ বাগিচা:

ডফলাটিং চাহ বাগিছা তিতাবৰ মহকুমাৰ পৰা ৩০ কিমি দূৰত্বত অৱস্থিত। গাঁওখনৰ মুঠ ভৌগোলিক আয়তন ২৮৮.৭২ হেক্টৰ। গাঁওখনৰ মুঠ জনসংখ্যা ৩,৮৪৭ জন। ইয়াৰে পুৰুষৰ জনসংখ্যা ১,৯৩৯ জন হোৱাৰ বিপৰীতে মহিলাৰ  জনসংখ্যা ১,৯০৮ জন। ডফলাটিং গাঁওৰ সাক্ষৰতাৰ হাৰ ৫৫.৬৫% ইয়াৰে ৬৩.৫৯% পুৰুষ আৰু ৪৭.৫৯% মহিলা সাক্ষৰ। গাঁওখনত প্ৰায় ৮১৮ টা ঘৰ আছে।

(খ) চুঙী চাহ বাগিছাঃ

চুঙী চাহ বাগিছা তিতাবৰ মহকুমাত অৱস্থিত।চুঙ্গী গাঁওৰ মুঠ ভূ-ভাগ ৩৩৯.১২ হেক্টৰ। চুঙ্গী গাঁৱত মুঠ জনসংখ্যা ১,৩৩৬ জন, য'ত পুৰুষ জনসংখ্যা ৬৮৭ জন আৰু মহিলা জনসংখ্যা ৬৪৯ জন। এই অনুসৰি, প্ৰতি ১,০০০ পুৰুষত প্ৰায় ৯৪৪ জন মহিলা আছে। চুঙ্গী গাঁওৰ সাক্ষৰতা হাৰ ৮২.৫৬% য'ত ৮৬.৪৬% পুৰুষ আৰু ৭৮.৪৩% মহিলা সাক্ষৰ। চুঙ্গী গাঁৱত প্ৰায় ২৮৭ টা ঘৰ আছে।

## ১.৪ অধ্যয়নৰ তাৎপৰ্য (Significant of the Study):

চাহ জনজাতি সম্প্ৰদায় অসমৰ অন্যতম পিছপৰা জনগোষ্ঠী, যিয়ে বহু বছৰ ধৰি ৰাজ্যখনৰ চাহ খেতিৰ লগত জড়িত হৈ আছে । এই সম্প্ৰদায়ৰ লোকসকল শিক্ষাৰ ক্ষেত্ৰত অতি পিছপৰা, সেইবাবে এই অধ্যয়নৰ গুৰুত্বতা আছে, যিয়ে শিক্ষাৰ অভাৱ শিক্ষাৰ সমস্যাবোৰ আৰু তাৰ সমাধানৰ দিশসমূহক আলোচনাৰ কেন্দ্ৰবিন্দু কৰি তুলিব।

এই অধ্যয়নে শিক্ষাৰ প্ৰতি চাহ জনজাতি সম্প্ৰদায়ৰ মাজত সজাগতা বৃদ্ধিত বিশেষভাৱে সহায় কৰিব। বহু পৰিয়ালত অভিভাৱকসকলে শিক্ষাৰ পৰা বঞ্চিত কৰি শিশুসকলক সৰুতেই কামত লগাই দিয়ে ,যাৰ ফলত

বিদ্যালয়ৰ পৰা বহুতো ল'ৰা -ছোৱালীৰে পঢ়াশুনা এৰি দিয়ে। বিশেষকৈ ছোৱালী সকলৰ মাজত এই সমস্যা দেখা যায়। এই অধ্যয়নটোৱে জনসাধাৰণৰ মাজত শিক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে সজাগতা কৰিব, যাৰ ফলত অভিভাৱকসকলে ছাত্ৰ-ছাত্ৰীসকলক উচ্চ শিক্ষা গ্ৰহণ  কৰিবলৈ উৎসাহিত  কৰিব। এই অধ্যয়নটোৱে চাহ জনজাতি সম্প্ৰদায়ৰ শিক্ষাৰ ক্ষেত্ৰত মুখ্য বাধাসমূহ চিহ্নিত কৰাত সহায় কৰিব।  দৰিদ্ৰতা, চৰকাৰী আঁচনিসমূহৰ যথাযথ প্ৰয়োগৰ অভাৱ আৰু পৰ্যাপ্ত পৰিমাণে শিক্ষাৰ সুবিধা নথকাৰ ফলত এই সম্প্ৰদায়টো শিক্ষাৰ পৰা ক্ষেত্ৰত যথেষ্ট পিছপৰি আছে। শিক্ষাৰ অভাৱৰ ফলত অধিকাংশ লোকে নিম্ন মজুৰিৰ কামত নিয়োজিত হৈ থাকে আৰু উচ্চ মানদণ্ডৰ  জীৱন যাপন কৰিব নোৱাৰে। এই অধ্যয়নটোৱে চাহ জনজাতি সম্প্ৰদায়ৰ শিক্ষাৰ সমস্যা আৰু তাৰ প্ৰভাৱ গভীৰভাৱে বিশ্লেষণ কৰি তাৰ সমাধানৰ পথ প্ৰশস্ত কৰিব।

## **১.৫ অধ্যয়নৰ উদ্দেশ্য (Objectives of the Study):**

১/ তিতাবৰ মহকুমাৰ  চাহ বাগিচাৰ লোকসকলৰ শৈক্ষিক প্ৰস্থিতিৰ বিষয়ে অধ্যয়ন কৰা।

২) তিতাবৰ মকুমাৰ চাহ বাগিচাৰ লোকসকলৰ শিক্ষাৰ সমস্যাসমূহৰ বিষয়ে অধ্যয়ন কৰা।

৩/তিতাবৰ মহকুমাৰ চাহ বাগিচাৰ লোকসকলৰ শিক্ষা ব্যৱস্থা উন্নত কৰাৰ বিষয়ে অধ্যয়ন কৰা।

## **১.৬ অধ্যয়নৰ সীমাবদ্ধতা (Delimitation of the Study):**

এই অধ্যয়নটোত কেৱল যোৰহাট  জিলাৰ অন্তৰ্গত তিতাবৰ  মহকুমাৰ ডফলাটিং চাহ বাগিছা আৰু চুণ্ডী চাহ বাগিচা এই গাওঁ দুখনক সামৰি লোৱা হৈছে।

(১) এই অধ্যয়নৰ জৰিয়তে  চাহ বাগিচাৰ দৈনিক উপাৰ্জন, অভিভাৱকৰ শিক্ষাগত অৰ্হতা আদি  অধ্যয়নৰ দিশসমূহ সামৰি লোৱা হৈছে।

(২) এই অধ্যয়নৰ জৰিয়তে ছোৱালী  শিক্ষা আদি অধ্যয়নৰ দিশসমূহ সামৰি লোৱা হৈছে।

(৩) এই অধ্যয়নৰ জৰিয়তে বিদ্যালয়ৰ দূৰত্ব, শিক্ষাত উন্নতি আদি দিশসমূহ সামৰি লোৱা হৈছে।

# দ্বিতীয় অধ্যায়

## প্ৰণালীতত্ব (Methodology):

## ২.১আৰম্ভণি (Introduction):

প্ৰণালীতত্ব মানে হৈছে কোনো এক বিশেষ কাৰ্য বা গৱেষণা কৰিবলৈ ব্যৱহৃত পদ্ধতি আৰু নীতিৰ সমষ্টি ।ই গৱেষণাৰ বাবে ব্যৱহৃত পদ্ধতি উপকৰণ আৰু প্ৰযুক্তিসমূহৰ বিৱৰণ দিয়ে যাৰ দ্বাৰা তথ্য সংগ্ৰহ, বিশ্লেষণ আৰু সংখ্যা ব্যাখ্যা কৰা হয়। প্ৰণালীতত্ব শব্দটি সাধাৰণতে গৱেষণা বা অধ্যয়ন কৰা সময়ত ব্যৱহৃত পদ্ধতি। প্ৰকল্প পদ্ধতি হৈছে এক সু-পৰিকল্পিত আৰু সু-পৰিচালিত শিক্ষা আঁচনি। ইয়াক প্ৰস্তুত কৰোঁতে যি প্ৰক্ৰিয়া আৰু পদ্ধতিৰ জৰিয়তে প্ৰকল্পটো কৰা হয় তাকে প্ৰকল্পটোৰ প্ৰণালীতত্ব বোলে ।

গৱেষক লিডি আৰু অৰডমৰ মতে (২০০৫) ৰ গৱেষণা পদ্ধতি হৈছে গৱেষক প্ৰকল্প এই সম্পন্ন কৰাৰ ক্ষেত্ৰত গৱেষক গ্ৰহণ কৰা সাধাৰণ পদ্ধতি, ব্যৱহৃত সঁজুলি আৰু পদ্ধতি সমূহৰ নিৰ্দেশ।

## ২.২ অধ্যয়নৰ পদ্ধতি (Method of the Study) :

বৰ্ণনামূলক পদ্ধতি হৈছে এক গৱেষণামূলক পদ্ধতি যাৰ দ্বাৰা কোনো ঘটনা,পৰিস্থিতি বা পৰিঘটনাৰ বিৱৰণ, বিশ্লেষণ বাখ্যা কৰা হয়। গৱেষক বলিঙৰ মতে (২০০২) বৰ্ণনাত্মক পদ্ধতিটোৱে এনে এক গৱেষক পদ্ধতি বুজায় যিয়ে চলকসমূহৰ কোনো পৰিঘটনা, জনসংখ্যা বা পৰিস্থিতিৰ পদ্ধতিগতভাৱে বৰ্ণনা কৰাত মনোনিৱেশ কৰে । প্ৰকল্প এটা লিখোঁতে বিশেষকৈ বৰ্ণনামূলক পদ্ধতি ব্যৱহাৰ কৰা হয়। যাৰ জৰিয়তে প্ৰকল্পটোৰ ভিতৰৰ যিকোনো সমস্যা সমূহৰ বিষয়ে বহলভাৱে বিশ্লেষণ কৰি চোৱাত সহায় কৰে। এই প্ৰকল্পত বৰ্ণনামূলক পদ্ধতিৰ জৰিয়তে ডফলাটিং চাহ বাগিছা আৰু চুঙী চাহ বাগিচাৰ লোকসকলৰ শৈক্ষিক প্ৰস্থিতিৰ বিষয়ে অধ্যয়ন কৰা হৈছে। এই গাঁও দুখনৰ লোকসকলৰ শিক্ষিত হাৰ, পৰিয়ালৰ আয়,বয়সৰ গাঁথনি, বিদ্যালয়ত অনিয়মিত উপস্থিতিৰ কাৰণ আদি অন্তৰ্ভুক্ত কৰা হৈছে। এই প্ৰকল্পত লাভ কৰা তথ্য সু-পৰিকল্পিত ৰূপত এই অধ্যয়নত আলোচনা কৰা হৈছে।

**২.৩ অধ্যয়নৰ জনসংখ্যা (Population of the Study):** অধ্যয়নৰ জনসংখ্যা হৈছে সাধাৰণতে কোনো এক অধ্যয়নৰ বাবে অধ্যয়নকাৰীয়ে নিৰ্ধাৰন কৰা জনগোষ্ঠী বা ব্যক্তিৰ সমষ্টি। কোনো এক বিষয়ত গৱেষকগৰাকীয়ে গৱেষণাৰ বাবে যিমান সংখ্যক জনগোষ্ঠীক অন্তৰ্ভুক্ত কৰে তাকে অধ্যয়নৰ জনসংখ্যা বোলে।

তিতাবৰ মহকুমাৰ ডফলাটিং আৰু চুঙী চাহ বাগিচা এই দুখন গাঁওৰ লোকসকলক নিৰ্বাচন কৰা হৈছে।

**২.৪ নমুনা সংগ্ৰহৰ কৌশল (Sample Techinique):**

নমুনা সংগ্ৰহৰ কৌশল মানে হৈছে বিশেষ পদ্ধতি বা উপায়, যাৰ জৰিয়তে কোনো গৱেষণা পৰীক্ষা বা বিশ্লেষণৰ বাবে উপযুক্ত নমুনা সংগ্ৰহ কৰা হয় । যদিও এই অধ্যয়নটিত সৰল যাদৃচ্ছিক নমুনা পদ্ধতিৰ দ্বাৰা নমুনা সংগ্ৰহ কৰা হয়।সৰল যাদৃচ্ছিক নমুনা পদ্ধতি হৈছে পৰিসংখ্যাত নমুনা প্ৰক্ৰিয়া। ই প্ৰতিটো বস্তু বা ব্যক্তিক নমুনাত অন্তৰ্ভূক্ত কৰে

**২.৫ অধ্যয়নৰ নমুনা (Sample of the Study):**

অধ্যয়নৰ নমুনা বুলিলে এটা জনসমষ্টিৰ পৰা কম সংখ্যক একক নমুনা হিচাপে বাছি লৈ সামাজিক ঘটনা এটা অধ্যয়ন কৰাকে বুজায়। এই অধ্যয়নত অধ্যয়নৰ নমুনা হিচাপে তিতাবৰ মহকুমাৰ অন্তৰ্গত ২খন চাহ বাগিছাৰ ৩০ জন লোকক নমুনা হিচাপে নিৰ্বাচন কৰা হৈছে ।

**২.৬ তথ্য সংগ্ৰহৰ আহিলা(Tools Used):**

তথ্য সংগ্ৰহৰ আহিলা বুলিলে কোনো বিষয়ৰ বিষয়ে তথ্য সংগ্ৰহ কৰাৰ উপায়, মাধ্যম বা পদ্ধতিক বুজায়।এই অধ্যয়নটিত ব্যৱহাৰ কৰা তথ্য সংগ্ৰহৰ আহিলা সমূহ হৈছে –

**১. প্ৰশ্নসূচী:**

প্ৰশ্নসূচী হৈছে বহুতো প্ৰশ্নৰ সমাহাৰ।তথ্যসংগ্ৰহৰ আহিলা হিচাপে প্ৰশ্নসূচীৰ জৰিয়তে অধ্যয়ণকাৰীয়ে অধ্যয়ন কৰা বিষয়টোৰ সংক্ৰান্তত কিছু প্ৰশ্ন ব্যক্তিক অৱতাৰণা কৰা হয়।সেই উত্তৰসমূহৰ মাধ্যমেৰেই তথ্যসমূহ সংগ্ৰহ কৰা হয়।

**২. সাক্ষাৎকাৰ:**

সাক্ষাৎকাৰত মুখামুখি পৰিবেশত মৌখিক আলাপ আলোচনাৰ যোগেদি তথ্য সংগ্রহ কৰা হয়। উক্ত অধ্যয়নটিত অধ্যয়নকাৰীয়ে অধ্যয়ন ক্ষেত্রত উপস্থিত থাকি মুখামুখি আলাপ আলোচনাৰ মাজেৰে নিৰ্বাচিত গাঁওসমূহৰ লোকসকলৰ পৰা প্ৰত্যক্ষভাৱে তথ্য সংগ্ৰহ কৰা হয়।

## ২.৭ তথ্যৰ উৎস (Sources of Data):

সাধাৰণতে তথ্যৰ উৎসসমূহক দুটা ভাগত ভাগ কৰা হয়-

(ক)প্ৰাথমিক উৎস

(খ)দ্বিতীয়ক উৎস

(ক) প্ৰাথমিক উৎসসমূহঃ

প্ৰাথমিক উৎসসমূহ হৈছে প্ৰথমবাৰৰ বাবে আহৰণ কৰা তথ্য।এই অধ্যয়নটোত অধ্যয়নকাৰী গৰাকীয়ে অধ্যয়নৰ ক্ষেত্ৰত অৰ্থাৎ চাহ বাগিচা দুখনত নিজে উপস্থিত থাকি ব্যক্তিসকলৰ পৰা তথ্যসমূহ সংগ্ৰহ কৰে।

(খ) দ্বিতীয়ক উৎসঃ

অনুসন্ধানকাৰীয়ে প্ৰত্যক্ষভাৱে -অধ্যয়নৰ ক্ষেত্ৰত উপস্থিত থকাৰ পৰিৱৰ্তে অন্য গৱেষক, ইন্টাৰনেট, বিভিন্ন ধৰণৰ কিতাপ তথা আলোচনীৰ পৰা  তথ্য সংগ্ৰহ কৰে তাকে দ্বিতীয়ক উৎস উৎস বোলে।এই অধ্যয়নটিত দ্বিতীয়ক উৎস হিচাপে বিভিন্ন গৱেষকৰ গবেষণা পত্ৰ, ইন্টাৰনেটৰ পৰা সংগ্ৰহ কৰা হয়।

## ২.৮ নমুনা সংগ্ৰহৰ পদ্ধতি (Procedure of Data Collection):

বিভিন্ন পদ্ধতি অৱলম্বন কৰি নমুনা সংগ্ৰহ কৰা হয় যদিও এই অধ্যয়নটিত সৰল যাদৃচ্ছিক নমুনা সংগ্ৰহ কৰা হৈছে। সৰল যাদৃচ্ছিক নমুনা সংগ্ৰহ পদ্ধতি: যি নমুনা এটা জনসমষ্টিৰ প্ৰতিটো একক হিচাপে ব্যৱহাৰ হোৱাৰ সুবিধা দিয়ে তাক যাদৃচ্ছিক নমুনা পদ্ধতি বোলা হয়।অধ্যয়নটোৰ বাবে তথ্য সংগ্ৰহ কৰিবৰ বাবে সৰল যাদৃচ্ছিক পদ্ধতি ব্যৱহাৰ কৰি দুখন গাঁওৰ ৩০ জন লোকক নমুনা হিচাপে নিৰ্বাচন কৰা হৈছে

# তৃতীয় অধ্যায়

## তথ্যৰ বিশ্লেষণ আৰু ব্যাখ্যা (Analysis and Interpretation of Data):

### ৩.১ আৰম্ভণি (Introduction):

প্ৰকল্প অধ্যয়নৰ এক গুৰুত্বপূৰ্ণ পৰ্যায় হিচাপে তথ্য বিশ্লেষণ পৰ্যায়ত অধ্যয়নকাৰীয় তথ্য সংগ্ৰহ কৰাৰ পাছত সংগৃহীত তথ্যসমূহ বিশ্লেষণৰ জৰিয়তে বৰ্ণনা কৰা হয়। তথ্যসমূহ পদ্ধতিগতভাৱে এই প্ৰকল্পটিত বিশ্লেষণ কৰা হৈছে।এই বিশ্লেষণ প্ৰক্ৰিয়া অতি সহজ-সৰল কৰিবলৈ তথ্যসমূহ শ্ৰেণীকৰণ আৰু তালিকাকৰণ কৰা হৈছে।সংগৃহীত প্ৰতিটো তথ্য এই প্ৰতিবেদনত যুক্তিযুক্তভাৱে উপস্থাপন কৰা হৈছে। এই তথ্য বিশ্লেষণৰ ক্ষেত্ৰত অনুসন্ধানকাৰীয়ে অতি সাৱধানে আৰু সূক্ষ্ম দৃষ্টিৰে তথ্য উপস্থাপন কৰিছে।

### ৩.২ উদ্দেশ্যভিত্তিক তথ্যৰ বিশ্লেষণ ( Objective wise Analysis and Interpretation of Resultes):

**৩.২.১ উদ্দেশ্য নং ১:** তিতাবৰ মহকুমাৰ অন্তৰ্গত চাহ বাগিচাৰ লোকসকলৰ শৈক্ষিক প্ৰস্থিতিৰ বিষয়ে অধ্যয়ন কৰা।


তালিকা নং – ১ চাহ বাগিচাৰ লোকসকলৰ শৈক্ষিক প্ৰস্থিতিৰ

| শিক্ষাগত অৰ্হতা | প্ৰাথমিক (১-১৫) | মধ্য বিদ্যালয়(৬-৮) | মাধ্যমিক(৯-১০) | উচ্চতৰ মাধ্যমিক(১১-১২) | কলেজ/বিশ্ববিদ্যালয় | উপস্থিত নাছিল |
|---|---|---|---|---|---|---|
| ব্যক্তিৰ সংখ্যা | ৬ | ৩ | ৫ | ৪ | ১ | ১১ |
| মুঠ শতাংশ | ২০ | ১০ | ১৬ | ১৩ | ৩ | ৩৬ |

উৎস : ক্ষেত্ৰভিত্তিক অধ্যয়ন

ওপৰৰ তথ্যৰ ভিত্তিত তলত এক দণ্ডচিত্ৰ অংকন কৰা হ'ল-

চিত্ৰ নং:১




উক্ত তালিকাৰ পৰা দেখা গ'ল যে নিৰ্বাচিত গাঁও দুখনৰ লোকসকলৰ শিক্ষাগত অৰ্হতাৰ ২০% প্ৰাথমিক, ১০ শতাংশ মধ্য বিদ্যালয়, ১৩ শতাংশ উচ্চতৰ মাধ্যমিক ,১৬ শতাংশ মাধ্যমিক, ৩ শতাংশ কলেজ/বিশ্ববিদ্যালয় আৰু ৩৬ শতাংশ উপস্থিত নথকা দেখা পোৱা গৈছে।


তালিকা নং- ২ বিদ্যালয়ত অধ্যয়ন কৰা

| বিদ্যালয়ত অধ্যয়ন কৰা | ব্যক্তিৰ সংখ্যা | মুঠ শতাংশ |
|---|---|---|
| হয় | ১৭ | ৫৬ |
| নহয় | ১৩ | ৪৩ |

উৎস :ক্ষেত্ৰভিত্তিক অধ্যয়ন

ওপৰৰ তথ্যৰ ভিত্তিত তলত এক দণ্ডচিত্ৰ অংকন কৰা হ'ল–

চিত্ৰ নং :২




উক্ত তালিকাৰ পৰা দেখা গ'ল যে গাঁও দুখনত বিদ্যালয়ত পঢ়া ব্যক্তিৰ ১৭জন (৫৬%) হয় আৰু ১৩(৪৩%) নহয়।

৩.২.২ উদ্দেশ্য নং -২: তিতাবৰ মহকুমাৰ অন্তৰ্গত চাহ বাগিচাৰ লোকসকলৰ শিক্ষা ব্যৱস্থা উন্নত কৰাৰ বিষয়ে অধ্যয়ন কৰা।


তালিকা নং-৩ শিক্ষা ব্যৱস্থাত উন্নতি

| শিক্ষা ব্যৱস্থাত উন্নতি | চাহ-বাগিচা অধিক চৰকাৰী বিদ্যালয় | বৃত্তি আৰু আৰ্থিক সহায় | অভিভাৱকৰ বাবে সজাগতা কাৰ্যসূচী | বিদ্যালয়ৰ আন্তঃগাৰ্থনিৰ উন্নতি | ছোৱালীৰ শিক্ষাক উৎসাহিত |
|---|---|---|---|---|---|
| ব্যক্তিৰ সংখ্যা | ২৪ | ৩ | ০ | ১ | ২ |
| মুঠ শতাংশ | ৮০ | ১০ | ০ | ৩ | ৬ |

উৎস :ক্ষেত্ৰভিত্তিক অধ্যয়ন

ওপৰৰ তথ্যৰ ভিত্তিত তলত এক দণ্ডচিত্ৰ অংকন কৰা হ'ল–

চিত্ৰ নং:৩




উক্ত তালিকাৰ  পৰা দেখা গ'ল যে চাহ জনগোষ্ঠীৰ শিক্ষা ব্যৱস্থাত ৮০% চাহ-বাগিচাত অধিক চৰকাৰী বিদ্যালয়, ১০% বৃত্তি আৰু আৰ্থিক সহায়, ৩%, বিদ্যালয়ত আন্তঃগাঁথনিৰ উন্নতি আৰু ৬% হোৱালীৰ শিক্ষাক উৎসাহিত কৰা ইত্যাদি উন্নতি দেখিব বিচাৰিব।

৩.২.৩ উদ্দেশ্য নং - ৩ তিতাবৰ মহকুমাৰ অন্তৰ্গত চাহ বাগিচাৰ লোকসকলৰ শিক্ষাৰ সমস্যাসমূহৰ বিষয়ে অধ্যয়ন কৰা।


তালিকা নং-৪ স্কুল-কলেজলৈ অহা-যোৱাৰ সমস্যা

| স্কুল-কলেজলৈ অহা-যোৱা | খোজকাঢ়ি | চাইকেল | ৰাজহুৱা পৰিবহন | অন্যান্য |
|---|---|---|---|---|
| ব্যক্তিৰ সংখ্যা | ১৫ | ১৪ | ১ | ০ |
| মুঠ শতাংশ | ৫০ | ৪৬ | ৩ | ০ |

উৎস :ক্ষেত্ৰভিত্তিক অধ্যয়ন

ওপৰৰ তথ্যৰ ভিত্তিত তলত এক দণ্ডচিত্ৰ অংকন কৰা হ'ল–

চিত্ৰ নং:৪




উক্ত তালিকৰ পৰা দেখা গ'ল যে গাঁও দুখনৰ লোকসকলে স্কুল-কলেজলৈ অহা-যোৱা কৰে খোজকাঢ়ি ১৫ (৫০%), চাইকেল ১৪ (৪৬%), ৰাজহুৱা পৰিবহন ১ (৩%)।


তালিকা নং-৫ স্কুলত অনিয়মিত উপস্থিতিৰ কাৰণ

| স্কুলত অনিয়মিত উপস্থিতৰ কাৰণ | ব্যক্তিৰ সংখ্যা | মুঠ শতাংশ |
|---|---|---|
| ঘৰুৱা কাম | ১৭ | ৫৬ |
| অৰ্থনৈতিক অৱস্থা | ৯ | ৩০ |
| ৰোগ | ০ | ০ |
| পৰিবহন সুবিধাৰ অভাৱ | ০ | ০ |
| অন্যান্য | ২ | ৬ |

উৎস :ক্ষেত্ৰভিত্তিক অধ্যয়ন

ওপৰৰ তথ্যৰ ভিত্তিত তলত এক দণ্ডচিত্ৰ অংকন কৰা হ'ল–

চিত্ৰ নং:৫




উক্ত তালকাৰ পৰা দেখা গ'ল যে ঘৰুৱা কামৰ বাবে ১৭(৫৬%), অথনোতক অবস্থাৰ বাবে ৯ (৩০%) জন আৰু অন্যান্য কাৰণৰ বাবে ২ (৬%) জন লোকে বিদ্যালয়লৈ নিয়মিতভাৱে নাযায়।

# চতুর্থ অধ্যায়

## ৪.১ অধ্যয়নৰ দ্বাৰা প্ৰাপ্ত তথ্যসমূহ (Major findings of the Study):

উক্ত অধ্যয়নটোৰ পৰা পোৱা প্ৰধান তথ্যসমূহ হ'ল-

১/ তিতাবৰ মহকুমাৰ অন্তৰ্গত নিৰ্বাচিত চাহ বাগিছা দুখনৰ লোকসকলৰ শিক্ষাগত অৰ্হতা নিম্ন। লোকসকলৰ শিক্ষাগত অৰ্হতাৰ ২০% প্ৰাথমিক ১০% মধ্য বিদ্যালয়, ১৬/মাধ্যমিক, ১৩% উচ্চতৰ মাধ্যমিক, ৩% কলেজ/বিশ্ববিদ্যালয় আৰু ৩৬% লোক উপস্থিত নথকা দেখা গৈছে।

২/ অধ্যয়নটোৰ পৰা দেখা গ'ল যে নিৰ্বাচিত গাঁও দুখনৰ ৫০% লোকহে বিদ্যালয়লৈ যায় আৰু ৫০% নাযায়।

৩। নিৰ্বাচিত গাঁও দুখনৰ বেছি সংখ্যক লোকেই আৰ্থিক বাধাৰ কাৰণে বিদ্যালয়লৈ নাযায় ।

৪। অধ্যয়নটোৰ পৰা দেখা গ'ল যে নিৰ্বাচিত গাঁও দুখনতে ওচৰত বিদ্যালয় উপলব্ধ আছে।

৫) নিৰ্বাচিত গাঁও দুখনৰ ১০০% লোকেই চাহ বাগিছাৰ শৈক্ষিক দিশত বিভিন্ন উন্নতি হোৱাটো বিচাৰে ।

৬/ অধ্যয়নটোৰ পৰা দেখা গ'ল যে নিৰ্বাচিত গাঁও দুখনতে ছোৱালীক ল'ৰাৰ সমানে পঢ়িবলৈ উৎসাহিত কৰা হয়।

৭/ নিৰ্বাচিত গাঁও দুখনৰ ১০০% লোকেই ঘৰুৱা কাম আৰু অৰ্থনৈতিক কাৰণত বিদ্যালয়ত নিয়মিতভাৱে উপস্থিত নাথাকে।

৮। অধ্যয়নটোৰপৰা দেখা গ'ল যে নিৰ্বাচিত গাঁও দুখনক ৫৬% লোক খোজকাঢ়ি, ৪০ শতাংশ চাইকেলেৰে বিদ্যালয়লৈ অহা-যোৱা কৰে ।

## ৪.২ সামৰণি (Conclusion)

যোৰহাট জিলাৰ তিতাবৰ মহকুমাৰ অন্তৰ্গত দুখন বাগিছাৰ লোকসকলৰ শৈক্ষিক প্ৰস্থিতিৰ বিষয়ে অধ্যয়ন কৰা হৈছে।নিৰ্বাচিত গাঁও দুখনৰ লোকসকলৰ শিক্ষাগত দিশটো উন্নত কৰিবৰ বাবে ক্ষেত্ৰ অধ্যয়নৰ অতি প্ৰয়োজন।

ওপৰৰ অধ্যয়নৰ পৰা দেখা গ'ল যে জনজাতীয় সমাজত বহুত সমস্যা আছে। এই সমস্যাবোৰৰ আঁৰৰ মূল কাৰক কেৱল শিক্ষাৰ অভাৱ।সজাগতা কাৰ্যসূচী আদিৰ জৰিয়তে অভিভাৱকসকলক শিক্ষাৰ গুৰুত্ব উপলব্ধি কৰোৱা উচিত।চৰকাৰে সকলোৰে বাবে শিক্ষাৰ ক্ষেত্ৰত বিভিন্ন নীতি প্ৰণয়ন কৰিছে। কিন্তু সাধাৰণ ৰাইজ সচেতন নহ'লে ইয়াৰ সফল ৰূপায়ণ সম্ভৱপৰ নহয়।

দেখা গৈছে যে এই সমাজখন শিক্ষাৰ ক্ষেত্ৰত আন আন জাতি-জনজাতিৰ তুলনাত পিছপৰা ।যদিও চৰকাৰী আৰু বেচৰকাৰী সংগঠনৰ পৰা নানা ধৰণৰ সহায়-সহযোগিতা আৰু শিক্ষামূলক আঁচনি লাভ কৰিছে , তথাপি অৰ্থনৈতিক অৱস্থা, সামাজিক সচেতনতা আৰু আগ্ৰহৰ অভাৱৰ বাবে শিক্ষা ক্ষেত্ৰত অগ্ৰগতি ধীৰ গতিত হৈছে। বিশেষকৈ, লোকসকলৰ স্কুল পৰ্যন্ত উপস্থিতি আৰু উচ্চ শিক্ষালৈ যোৱাৰ ক্ষেত্ৰত বহু বাধা আছে। অভিভাৱক তথা পৰিয়ালৰ শিক্ষাৰ প্ৰতি মনোভাব, দৰিদ্ৰতা, আৰু কাম-কাজ আদিৰ দৰে কাৰকসমূহে এই সমস্যা অধিক জটিল কৰিছে।

এই সমস্যাসমূহৰ সমাধানৰ বাবে চৰকাৰ, স্থানীয় সংগঠন, শিক্ষানুষ্ঠান আৰু সমাজৰ সকলো স্তৰৰ লোকৰ যৌথ উদ্যোগৰ প্ৰয়োজন। চাহ জনজাতি সমাজক শিক্ষা ক্ষেত্ৰত উন্নতি ঘটাবলৈ সজাগতা কাৰ্যসূচী, আৰু বিশেষ আঁচনি অধিক ফলপ্ৰসূ ৰূপে প্ৰয়োগ কৰা একান্ত প্ৰয়োজন।

## ৪.৩ শৈক্ষিক তাৎপৰ্য (Educational Implications):

অধ্যয়নটোত চাহ জনজাতি লোকসকলৰ শৈক্ষিক প্ৰস্থিতি অধ্যয়ন কৰা হৈছে আৰু ইয়াৰ শৈক্ষিক তাৎপৰ্য্যৰ লগত জড়িত বিভিন্ন দিশ –

(১)অধ্যয়নৰ দ্বাৰা প্ৰাপ্ত তথ্যৰ দ্বাৰা চাহ জনজাতিৰ শিক্ষাৰ ক্ষেত্ৰত থকা বিভিন্ন সমস্যাসমূহ সমাধান কৰিব পাৰিব।

(২)অধ্যয়নৰ দ্বাৰা প্ৰাপ্ত তথ্যৰ দ্বাৰা চৰকাৰে চাহ জনজাতিৰ অৱস্থা উন্নতি কৰিবলৈ বাগিচাৰ ওচৰত মানদণ্ডযুক্ত বিদ্যালয় আৰু প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষক নিযুক্তি দিব পাৰিব।

(৩) অধ্যয়নৰ দ্বাৰা চৰকাৰে চাহ জনজাতিৰ শিক্ষা ব্যৱস্থাত বিভিন্ন উন্নয়নমূলক ব্যবস্থা গ্ৰহণ কৰিব পাৰিব।

(৪) অধ্যয়নৰ দ্বাৰা চৰকাৰে প্ৰাপ্ত তথ্যৰ দ্বাৰা চাহ জনজাতিৰ সমাজৰ ছোৱালী শিক্ষাৰ বাবে বিভিন্ন ব্যবস্থা ল'ব পাৰিব।

(৫)অধ্যয়নৰ দ্বাৰা প্ৰাপ্ত তথ্যই অভিভাৱক তথা পৰিয়ালৰ মাজত শিক্ষাৰ প্ৰতি সচেতনতা অনাত সহায় কৰিব।

## ৪.৪ পুনঃঅধ্যয়নৰ পৰামৰ্শ (Suggestion for further study):

উক্ত প্ৰকল্পটো অধ্যয়ন কৰি অনুসন্ধানকাৰীজনে নিৰ্বাচন কৰি লোৱা গাওঁ দুখনৰ লোকসকলৰ শৈক্ষিক প্ৰস্থিতিৰ বিষয়ে অধ্যয়ন কৰা হৈছে। এই অধ্যয়নটোৰ লগত সংগতি ৰাখি আৰু অধিক অধ্যয়ন কৰিব পৰা যায়।

১/ উক্ত অধ্যয়নটোত যিহেতু তিতাবৰ মহকুমাৰ অন্তৰ্গত দুখন চাহ বাগিচাহে নিৰ্বাচন কৰা হৈছে। গতিকে পুনৰ অধ্যয়নৰ বাবে তিতাবৰ মহকুমাৰ অন্য চাহ জনজাতিৰ গাওঁ অধ্যয়ন কৰিব পৰা যায়।

২/এই অধ্যয়নত কেৱল ৩০ জন লোকহে নমুনা হিচাপে নিৰ্বাচন কৰা হৈছে। পুনৰ অধ্যয়নৰ বাবে আৰু বেছি লোকক নমুনা হিচাপে নিৰ্বাচন কৰিব পৰা যায়।

৩/এই অধ্যয়নটো কেৱল চাহ জনজাতিৰ লোকক কেন্দ্ৰ কৰি কৰা হৈছিল। পুনঃ অধ্যয়নৰ যাবে অন্য লোকৰ শিক্ষাৰ ক্ষেত্ৰতো অধ্যয়ন কৰিব পৰা যায়।

উক্ত কাৰ্যব্যৱস্থা সফলতাৰে ৰূপায়ণৰ ক্ষেত্ৰত প্ৰকল্পটো পুনৰ অধ্যয়ন কৰাৰ প্ৰয়োজন আছে। যিহেতু প্ৰকল্পটো সকলো লোকক অধ্যয়ন কৰাৰ বিপৰীতে দুখন চাহ বাগিছাৰ কেৱল ৩০ জন লোককহে নমুনা হিচাপে নিৰ্বাচন কৰি অধ্যয়ন সাব্যস্ত কৰিছে। সেয়ে অধ্যয়নটোৰ পৰা পোৱা প্ৰাপ্ত তথ্যসমূহ সম্পূৰ্ণৰূপে সকলো চাহ জনজাতি গাওঁৰ লোকৰ ক্ষেত্ৰত প্ৰযোজ্য নহ’বও পাৰে। সেইবাবে প্ৰকল্পটো পুনঃঅধ্যয়ন কৰাৰ প্ৰয়োজন আছে।

## ৪.৫ সহায়ক গ্ৰন্থপুঞ্জি (Referene):


Gogoi, Diganta Kr. And Handique, Madhumita, Girl Child Education among Tea Tribes: A Case Study of Rajgarh Tea Estate of Dibrugarh District of (2014). Retrieved from – https://www.vidyawarta.com/04/wp-content/uploads/2015/10/Girl-Child-Education-among-Tea-Tribes-A-Case-Study-of-Rajgarh-Tea-Estate-of-Dibrugarh-District-of-Assam..pdf

Bora R (2002), A Study of the Existing Facilities for Primary Education in Tea Garden Labourers in Assam.

Kalita, Biraj Dutta,(2018), Socio-Cultural Life of the Tea Plantation Workers in Assam. https://righttoeducation.in/sites/default/files/elementary_education_research.pdf

https://en.m.wikipedia.orghttps://en.m.wikipedia.org

*ফুকন দেৱী দিপ্তী , চাংমাই যোগেশ, বৰা স্বপ্নালী (২০১৪),' পৰীক্ষাগাৰত ব্যৱহাৰিক শিক্ষা আৰু ক্ষেত্ৰ প্ৰতিবেদন', ইউনিকা প্ৰকাশন*

*বুজৰবৰুৱা ডেকা, পল্লৱী(২০১৭),'গৱেষণাগাৰ পদ্ধতিবিজ্ঞান', বনলতা,নতুন বজাৰ , ডিব্ৰুগড় -১*

*বৰুৱা লহকৰ, জাহ্নৱী(২০১৪)' গৱেষণাগাৰত মনোবিজ্ঞান',দত্ত প্ৰকাশন, লক্ষিমপুৰ, অসম*

# ফটোগ্রাফ


Apr 6, 2025, 12:21

# পৰিশিষ্ট

## প্ৰশ্নাৱলী

1) আবেদনকাৰীৰ নাম:

2) বয়স:

৩) লিংগ:

4) গাঁও/চাহ বাগিচাৰ নাম:

5) পৰিয়ালৰ সদস্য সংখ্যা:

6) পৰিয়ালৰ আয় (প্ৰতি মাহে):

(ক) ৫০০০ মহলা

(খ) ৫০০০-১০,০০০

(গ) ১০,০০০ ওপৰত

7) আপুনি স্কুলত পঢ়িছিল নে?

(ক) হয়

(খ) নহয়

8) আপোনাৰ শিক্ষাগত অৰ্হতা কিমান?

(ক) প্ৰাথমিক (১-৫ শ্ৰেণী)

(খ) মধ্যবিদ্যালয় (৬-৮ শ্ৰেণী)

(গ) মাধ্যমিক (৯-১০ শ্ৰেণী)

(ঘ) উচ্চতৰ মাধ্যমিক (১১-১২ শ্ৰেণী)

(ঙ) কলেজ/বিশ্ববিদ্যালয়

(চ) উপস্থিত নাছিল

9) বিদ্যালয়লৈ নোযোৱাৰ কাৰণ কি আছিল?

(ক) আৰ্থিক বাধা

খ) ওচৰত বিদ্যালয়ৰ অভাৱ

(গ) আগ্ৰহৰ অভাৱ

(ঘ) অন্যান্য

10) আপোনাৰ স্থানীয় অঞ্চলৰ ওচৰত বিদ্যালয় উপলব্ধ আছে নে?

(ক) আছে

(খ) নাই

11) চাহ জনগোষ্ঠীৰ শিক্ষা ব্যৱস্থাত কি কি উন্নতি দেখিব বিচাৰিব?

(ক) চাহ-বাগিচা অধিক চৰকাৰী বিদ্যালয়

(খ) বৃত্তি আৰু আৰ্থিক সহায়

(গ) অভিভাৱকৰ বাবে সজাগতা কাৰ্যসূচী

(ঘ) বিদ্যালয়ৰ অন্তঃগাঁথনিৰ উন্নতি

(ঙ) ছোৱালীৰ শিক্ষাক উৎসাহিত

12) আপোনাৰ সমাজৰ ছোৱালীকো ল'ৰা সমানে পঢ়িবলৈ উৎসাহিত কৰা হয় নে?

(ক) হয়

(খ) নহয়

(গ) কেতিয়াবা

13) আপোনাৰ স্কুল/কলেজ ঘৰৰ পৰা কিমান দূৰত্বত?

(ক) ১ কিলোমিটাৰত কৈও কম

(খ) ১-৩ কি.মি

(গ) ৩-৫ কি.মি

(ঘ) ৫ কি.মিতকৈ অধিক

14) স্কুল / কলেজলৈ কেনেকৈ অহা যোৱা কৰে?

(ক) খোজকাঢ়ি

(খ) চাইকেল

(গ) ৰাজহুৱা পৰিবহন

(ঘ) অন্যান্য

১৫) নিয়মিতভাৱে স্কুললৈ যায় নেকি?

(ক) হয়

(খ) নহয়

16) যদি নাযায়, তেন্তে অনিয়মিত উপস্থিতিৰ কাৰণ সমূহ কি কি?

(ক) ঘৰুৱা কাম

(খ) অৰ্থনৈতিক অৱস্থা

(গ) ৰোগ

(ঘ) পৰিবহন সুবিধাৰ অভাৱ

(ঙ) অন্যান্য

**প্ৰতিক্ৰিয়াকাৰীৰ স্বাক্ষৰ**